জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৮৭/২০২২**

# সমাগত দুৰ্গা পূজালৈ লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলৰ চলিত মাহৰ দৰমহা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বিত্ত বিভাগক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২২ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমাগত দুৰ্গা পূজালৈ লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলৰ চলিত মাহৰ দৰমহা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বিত্ত বিভাগক নিৰ্দেশ দিছে।

উল্লেখ্য যে চলিত বৰ্ষৰ শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে অহা ২ অক্টোবৰৰ পৰা চৰকাৰী কাৰ্যালয়সমূহ বন্ধ থাকিব। ইয়াৰ পৰিপ্ৰেক্ষিততে পূজা উদ্‌যাপনত সহায়ক হোৱাকৈ মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলৰ দৰমহা অহা ২৯ ছেপ্টেম্বৰৰ পৰা মুকলি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বিত্ত বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যিক বিষয়া-কৰ্মচাৰীসকলৰ নিজ কৰ্মৰ প্ৰতি থকা নিষ্ঠা আৰু উৎসৰ্গিত মনোভাৱৰ শলাগ লোৱাৰ লগতে তেওঁলোকৰ প্ৰতি ৰাজ্য চৰকাৰৰ থকা দায়বদ্ধতাৰ প্ৰকাশ হিচাপেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

**সুঃদঃ / নিঃকুঃদাঃ**
**২২/০৯/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in